**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-JUNE-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ কঠোৰ পদক্ষেপৰ ফলত ৰাজ্যত গঁড় চিকাৰৰ ঘটনা ক্ৰমাৎ শূন্যলৈ হ্ৰাস পাইছে। বন বিভাগৰ তথ্য অনুসৰি ২০২১ চনৰ পৰা ২০২৬ চনলৈকে চোৰাং চিকাৰীৰ হাতত মাত্ৰ ৭ টা গঁড়ে প্ৰাণ হেৰুৱাইছে। ইয়াৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২১ ত দুটা, ২০২৩ ত এটা আৰু ২০২৪ চনত দুটা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰাৰ বিপৰীতে ২০২৩ চনত মানস আৰু ওৰাঙত এটাকৈ গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰে।

ইপিনে, বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত মানস ৰাষ্ট্ৰীয় উদ্যানে নতুন নিদৰ্শন দাঙি ধৰিছে। বিগত ৩টা বছৰত উদ্যানখনত গঁড় আৰু বাঘ চিকাৰৰ এটাও ঘটনা সংঘটিত হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বহু বছৰ ধৰি অসমৰ বনাঞ্চলত চোৰাং চিকাৰে ভাবুকিৰ সৃষ্টি কৰি আহিছিল যদিও বন বিভাগৰ বিষয়া-কৰ্মীৰ অক্লান্ত নিষ্ঠা, সাহস আৰু নিৰৱচ্ছিন্ন সুৰক্ষা ব্যৱস্থাৰ ফলস্বৰূপে মানসত সম্প্ৰতি চোৰাং চিকাৰ প্ৰতিৰোধত অভূতপূৰ্ব সফলতা লাভ কৰিব পৰা গৈছে।

তেওঁ কয়, যে বৰ্তমানে মানস ৰাষ্ট্ৰীয় উদ্যানত প্ৰতিমাহে প্ৰায় ৩৮ হাজাৰ কিলোমিটাৰ এলেকাত নিয়মীয়াকৈ তহল দিয়া হয়। কঠোৰ প্ৰচেষ্টা, আধুনিক পহৰাদাৰী ব্যৱস্থা আৰু সজাগ জনসাধাৰণৰ সহযোগিতাই মানসক বন্যপ্ৰাণী সংৰক্ষণৰ অনন্য সফলতাৰ কাহিনীত পৰিণত কৰিছে বুলি তেওঁ উল্লেখ কৰে।

oooooo

অসম বিধান সভাৰ কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত কালি ৬ৰ পৰা ৩১ জুলাইলৈ চলিবলগীয়া ২৬ দিনীয়া বাজেট অধিবেশনৰ বিতং কাৰ্যসূচীত অনুমোদন জনোৱা হয়। সেই অনুসৰি বিধানসভাৰ আসন্ন অধিবেশনৰ সময়ছোৱাত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। ১০ জুলাইত বিত্ত মন্ত্ৰীয়ে বাজেট উত্থাপন কৰিব। অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক চন্দ্ৰমোহন পাটোৱাৰী, জাকিৰ হুছেইন ছিকদাৰ, শ্বেৰমান আলী আহমেদ, মজিবুৰ ৰহমান আৰু ড° জয়প্ৰকাশ দাস উপস্থিত থাকে। সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত ভাগ লয়।

oooooo

ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বান প্ৰস্তুতিমূলক বৈঠকত অংশগ্ৰহণ কৰি সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলাৰ বাবে বিভাগীয় বিষয়াসকলক সাজু থাকিবলৈ নিৰ্দেশ দিয়ে। ধেমাজিৰ জিলা আয়ুক্ত ৰাহুল জাৱীৰ সুৰেশৰ দ্বাৰা আয়োজিত এই বৈঠকত মন্ত্ৰীগৰাকীয়ে বানৰ সময়ত বন্যাৰ্তসকলৰ বাবে আশ্ৰয় শিবিৰ, চিকিৎসা সেৱা, ঔষধ, খাদ্য সামগ্ৰী আৰু বিশুদ্ধ খোৱাপানীৰ উপলব্ধতা সংক্ৰান্তীয় প্ৰস্তুতিৰ বুজ লয় আৰু সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে জলসম্পদ বিভাগৰ বিষয়াৰ সৈতে নৈ-

কাষৰীয়া অঞ্চলৰ মথাউৰিৰ স্থিতিৰ বিষয়েও বিতংভাৱে আলোচনা কৰে আৰু যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

**বাইট (অতুল বৰা)**

০০০০০০

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া উদ্যোগত ধেমাজি জিলাৰ গোগামুখত দিনজোৰা কাৰ্যসূচীৰে অহা ২০ জুনত কলাগুৰু বিষ্ণুৰাভা দিৱস অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বিশিষ্ট লোকশিল্পী তৰাৰতী মিলি বড়িলৈ ২০২৬ বৰ্ষৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, অৰণ্য মানৱ পদ্মশ্ৰী সন্মানেৰে বিভূষিত যাদৱ পায়েং, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শংকৰদেৱ সংঘৰ পদাধিকাৰ ড° ভৱেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ ই কে ৱাই চি আৰু আধাৰ সংযোগ প্ৰক্ৰিয়া ক্ষিপ্ৰতৰ কৰি তোলাৰ উদ্দেশ্যে মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত সমগ্ৰ জিলাখনতে ব্যাপক সজাগতা অভিযান চলোৱা হৈছে। জিলাখনৰ কোনো যোগ্য হিতাধিকাৰী যাতে আধাৰ সংযোগ নোহোৱাৰ বাবে চৰকাৰী ৰেহাই আৰু এল পি জি চিলিণ্ডাৰৰ সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি এই সজাগতা অভিযান চলোৱা হৈছে। জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে জিলাখনৰ প্ৰতিখন গাঁও পঞ্চায়ত সমবায় সমিতি, সুলভ মূল্যৰ দোকান, গাঁও পঞ্চায়ত কাৰ্যালয়, ৰাজহ চক্ৰ কাৰ্যালয়, অসামৰিক চিকিৎসালয়, ভাৰতীয় ষ্টেট বেংকৰ গড়মূৰ শাখা আৰু পেট্ৰ'ল পাম্পসমূহত বেনাৰ আৰু পোষ্টাৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে গ্ৰাহকসকলক যথা শীঘ্ৰে নিজৰ চিলিণ্ডাৰ বিতৰকৰ কাৰ্যালয়লৈ গৈ যাৱতীয় প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে কালি অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত চলি থকা নিৰ্মাণ কাৰ্যসমূহ পৰিদৰ্শন কৰে আৰু প্ৰকল্পটোৰ অগ্ৰগতিৰ খতিয়ান লয়। পৰিদৰ্শনকালত বিধায়কগৰাকীৰ সৈতে জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড০ ছৈকত পাত্ৰ, ডিব্ৰুগড় পৌৰ নিগমৰ ভাৰপ্ৰাপ্ত আয়ুক্ত নভাছ কুমাৰ দাস, চিকিৎসা মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষ আৰু লোকনিৰ্মাণ বিভাগৰ বিষয়া উপস্থিত থাকে। গুৰুত্বপূৰ্ণ প্ৰকল্পটো যথাশীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি বিধায়কগৰাকীয়ে এই পদক্ষেপে জিলাখনৰ স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালী কৰি তুলিব বুলি আশা প্ৰকাশ কৰে।

বিধায়কগৰাকীয়ে কালি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত চলি থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ অগ্ৰগতিৰো বুজ লয়। বিশ্ববিদ্যালয়খনত নতুন ছাত্ৰাবাস, শৈক্ষিক ভৱন, গৱেষণা আৰু উদ্ভাৱন কেন্দ্ৰ, ক্ৰীড়া আন্তঃগাঁথনি, পথ আৰু যোগাযোগ ব্যৱস্থা উন্নয়নকে ধৰি বিভিন্ন প্ৰকল্পৰ কাম পূৰ্ণগতিত চলি আছে আৰু এইসমূহ সম্পূৰ্ণ হ'লে বিশ্ববিদ্যালয়খনে শিক্ষা, গৱেষণা আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত নতুন গতি লাভ কৰিব বুলি শ্ৰীফুকনে আশা প্ৰকাশ কৰে। এই ঐতিহ্যমণ্ডিত বিশ্ববিদ্যালয়খনক আধুনিক ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত অসম চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

**সমাপ্ত**